# গোহাঁৰি

ইয়াৰ দ্বাৰা নগাঁও জিলাৰ সমূহ কৃষক ৰাইজক অৱগত কৰা হয় যে, পি. এম. কিষাণ সন্মান নিধি আঁচনিৰ অধীনত হিতাধিকাৰী নিৰ্ব্বাচনৰ বাবে সৰহ সংখ্যক লোকৰ সঠিক ঠিকনা নথকা হেতু তেখেত সকলৰ বিভাগীয়ভাৱে পুনৰীক্ষন সম্ভৱ হোৱা নাই। সেয়েহে, এই কৃষক সকলক আবেদন পত্ৰ দাখিল কৰি নিজৰ যোগ্যতা সাব্যস্ত কৰিবলৈ অনুৰোধ জনোঁৱা হ'ল।

যি সকল হিতাধিকাৰীয়ে এটা, দুটা অথবা তিনিটা মান কিস্তিৰ ধন প্ৰাপ্তিৰ পিছত পৰৱৰ্ত্তী পৰ্যায়ত তেনে কিস্তি প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ আছে, সেই হিতাধিকাৰী সকলে নগাওঁ জিলা প্ৰসাশনৰ ৱেবচাইট (www.nagaon.gov.in)ত উপলদ্ধ পি এম কিষানৰ অধীনত প্ৰকাশ কৰা তালিকাত নাম পৰীক্ষা কৰিব। যদিহে উক্ত তালিকাত আপোনাৰ নাম আছে তেন্তে উক্ত ৱেবচাইটৰ পৰা আবেদন পত্ৰ (Annexure-III) ডাউনলোদ কৰিব আৰু প্ৰয়োজনীয় সকলো তথ্য সন্নিৱিষ্ট কৰি তলত উল্লেখিত আৱশ্যকীয় নথি-পত্ৰ সহ আপোনাৰ ৰাজহ চক্ৰ এলেকাৰ বাবে নিৰ্দ্ধাৰিত স্থানত আবেদন পত্ৰ জমা দিব পাৰিব।

আনহাতে, যি সকল যোগ্য কৃষকৰ নাম বৰ্তমানেও পি. এম. কিষাণ সন্মান নিধি আঁচনিৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই অথবা আঁচনিৰ পৰা বাদ পৰি আছে, তেনে কৃষকক জিলা প্ৰশাসনৰ ৱেবচাইটৰ পৰা আবেদন পত্ৰ (Annexure-I) সংগ্ৰহ কৰি সকলো আৱশ্যকীয় নথি-পত্ৰৰ সৈতে জিলা প্ৰশাসনৰ দ্বাৰা নিৰ্ধাৰিত কেন্দ্ৰসমূহত সম্পূৰ্ণ নতুন হিতাধিকাৰী ৰূপে নিজৰ আবেদন পত্ৰ দাখিল কৰি নিজৰ যোগ্যতা সাব্যস্ত কৰিবৰ বাবে অনুৰোধ জনোঁৱা হ'ল।

- ৱেবচাইট - www.nagaon.gov.in
- আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখ - **১০-১০-২০২১**
- আবেদন পত্ৰ দাখিলৰ দিন - চৰকাৰী কাৰ্যালয় খোলা থকা দিনত।
- আবেদন পত্ৰ দাখিলৰ সময় - দিনৰ ১০.৩০ বজাৰ পৰা ৪.০০ বজালৈ।

আবেদন পত্ৰৰ সৈতে জমা কৰিবলগীয়া আৱশ্যকীয় নথি-পত্ৰৰ তালিকাঃ

১. আধাৰ কাৰ্ড / ভোটাৰ পৰিচয় পত্ৰ / পান কাৰ্ড / চালকৰ প্ৰমান পত্ৰ / ৰেচন কাৰ্ড / কৃষক ঋণ পত্ৰ / পাৰ পত্ৰ নং ৰ ফটোকপি
২. মাটিৰ জমাবন্দী / খাজনা ৰচিদৰ ফটোকপি
৩. বেংক পাচবুকৰ প্ৰথম পৃষ্ঠাৰ ফটোকপি
৪. পাচপ'ৰ্ট ফটো

বিঃদ্ৰঃ- সকলো নথি-পত্ৰত আবেদনকাৰীৰ চহী থকাতো বাধ্যতামূলক।

আবেদন পত্ৰ জমা দিয়াৰ বাবে নিৰ্দ্ধাৰিত স্থান -

| ক্ৰ নং | ৰাজহ চক্ৰ | নিৰ্দ্ধাৰিত স্থান |
|---|---|---|
| ১ | ধিং ৰাজহ চক্ৰ অধীনৰ কৃষক | পি ডব্লিউ ডি (আই বি), ধিং |
| ২ | কামপুৰ ৰাজহ চক্ৰ অধীনৰ কৃষক | পি ডব্লিউ ডি আই বি, কামপুৰ |
| ৩ | কলিয়াবৰ ৰাজহ চক্ৰ অধীনৰ কৃষক | মহকুমা কৃষি বিষয়া কাৰ্যালয়, কলিয়াবৰ |
| ৪ | নগাওঁ সদৰ ৰাজহ চক্ৰ অধীনৰ কৃষক | জিলা কৃষি বিষয়া কাৰ্যালয়, নগাঁও |
| ৫ | ৰহা ৰাজহ চক্ৰ অধীনৰ কৃষক | মহকুমা কৃষি বিষয়া কাৰ্যালয়, ৰহা |
| ৬ | ৰূপহী ৰাজহ চক্ৰ অধীনৰ কৃষক | পি ডব্লিউ ডি আই বি, জুৰিয়া |
| ৭ | চামগুৰি ৰাজহ চক্ৰ অধীনৰ কৃষক | পি ডব্লিউ ডি আই বি, চামগুৰি |

জিলা উপায়ুক্ত
নগাওঁ